গোৱালপাৰা মহাবিদ্যালয়

অধ্যক্ষৰ কলম

ড° সুভাষ বৰ্মন
অধ্যক্ষ

ভাৰতৰ স্বাধীনতা আন্দোলন কেৱল ইংৰাজ ঔপনিৱেশিকতাৰ বিৰুদ্ধে নাছিল, ই আছিল জাতিভেদ, ধৰ্মীয় গোড়ামি, অন্ধবিশ্বাস, কুসংস্কাৰৰ অৱসান ঘটাই এক আধুনিক গণতান্ত্ৰিক মানৱ সমাজ নিৰ্মাণৰ প্ৰচেষ্টা। সেয়ে দেশৰ স্বাধীনতা সেনানীসকলে বিভিন্ন প্ৰান্তৰত শিক্ষা, স্বাস্থ্য, প্ৰযুক্তিৰ নতুন নতুন অনুষ্ঠান গঢ়িবলৈ অহোপুৰুষাৰ্থ কৰিছিল। ১৯৫০ৰ দশকত গুৱাহাটীৰ পৰা মানকাচৰলৈ গাৰোপাহাৰৰ পাদদেশৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত এই বিস্তীৰ্ণ এলেকাত উচ্চ শিক্ষাৰ সুবিধাৰ পৰা বঞ্চিত হৈ থকা অৱস্থাত জ্ঞানৰ পোহৰেৰে আলোকিত কৰিবলৈ প্ৰখ্যাত স্বাধীনতা সংগ্ৰামী তথা স্বাধীনতাৰ পিছৰ গোৱালপাৰাৰ প্ৰথম বিধায়ক খগেন্দ্ৰনাথ নাথৰ প্ৰচেষ্টাত গোৱালপাৰা কলেজ প্ৰতিষ্ঠা হৈছিল। তেখেতৰ প্ৰচেষ্টাত গোৱালপাৰাত মহামানৱ মহাত্মা গান্ধী আৰু জৱাহৰলাল নেহৰুৰো পদাৰ্পণ ঘটিছিল। অধ্যাপক ওৱাজুদ্দিন আহমেদে কটন কলেজৰ ৰসায়ন বিভাগৰ অধ্যাপকৰ চাকৰি বাদ দি প্ৰথমজন অধ্যক্ষৰ দায়িত্ব পালন কৰিছিল। যোৱা সাতটা দশকত অসমৰ তুলনামূলকভাৱে আৰ্থ-সামাজিক দিশত পিছপৰা এই আওহতীয়া অঞ্চলটোৰ পৰা সামাজিক, শৈক্ষিক, সাংস্কৃতিক তথা ৰাজনৈতিক দিশত নেতৃত্ব প্ৰদান কৰিবলৈ এচাম লোক ওলাই আহিছে। এই এঞ্চলৰ পৰা প্ৰশাসনিক বিষয়া, অধ্যাপক, বুদ্ধিজীৱী, ৰাজনৈতিক-সামাজিক দিশত নেতৃত্ব আগবঢ়োৱা এই লোকসকলক গঢ়ি তোলাত গোৱালপাৰা কলেজৰ বৰঙণি অতি বেছি। আৰম্ভণিতে কলা শাখাৰ মহাবিদ্যালয়খনত এই অঞ্চলৰে সু-সন্তান শৰৎ চন্দ্ৰ সিংহৰ মুখ্যমন্ত্ৰিত্বৰ কালত বিজ্ঞান শাখাৰ প্ৰাদেশীকৰণ হয় আৰু ২০১৫ চনৰ পৰা মহাবিদ্যালয়খনত বাণিজ্য শাখা খোলা হয়। দীৰ্ঘকাল ধৰি কলেজখনৰ অধ্যক্ষৰ আসন অলংকৃত কৰা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° মহেন্দ্ৰ বৰাৰ তত্ত্বাবধানত কলেজখনে শৈক্ষিক, সাংস্কৃতিক দিশত এক নতুন জাগৰণ আনিবলৈ সক্ষম হৈছিল। অধ্যাপক মাখন শালৈ, নিৰুপমা বৰগোহাঞি, জয়নাল আবেদীন, কুলভূষণ দাস, ড° কমলেশ্বৰ গোস্বামী, ড° অৰুণ শৰ্মা, ড° মনোজ চক্ৰৱৰ্তী, ড° দীনেশ বৈশ্য, ড° আবুল মাছুম, জ্যোতিষ দাস, ৰমাকান্ত বৰুৱা আদি কিংবদন্তি সদৃশ শিক্ষকৰ স্মৃতি বিজড়িত গোৱালপাৰা কলেজ মানকাচাৰ, দক্ষিণ শালমাৰাৰ পৰা বকো ছয়গাঁও, ধুবুৰী, কোকৰাঝাৰ, বৰপেটা, বংগাইগাঁও আদিৰ উপৰি চুবুৰীয়া ৰাজ্য গাৰো পাহাৰ তথা উত্তৰবংগৰ পৰা অহা ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক লক্ষ্যস্থান হৈ আহিছে।

গোৱালপাৰা কলেজৰ এই বৌদ্ধিক যাত্ৰা সাময়িকভাৱে স্তিমিত হ'লেও বিগত চাৰি/পাঁচ বছৰত কলেজখনে শৈক্ষিক উৎকৰ্ষতাৰ দিশত উত্তৰ-পূব ভাৰতৰ ভিতৰতে এক আদৰ্শৰ নিদৰ্শন হৈ পৰিছে। মহাবিদ্যালখনৰ ফলাফলৰ দিশত নৱৈ শতাংশতকৈ অধিক সফলতাৰ হাৰ, দেশৰ বিভিন্ন আগশাৰীৰ বিশ্ববিদ্যালয় তথা আন্তৰ্জাতিক পৰ্যায়ৰ প্ৰতিষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে স্থান লাভ কৰা, ভাৰত চৰকাৰৰ কেইবাটাও গৱেষণা সংস্থাৰ পৰা কেইবা কোটি টকা গৱেষণা সাহায্য, মহাবিদ্যালয়ৰ সেউজ পদক্ষেপ, মহিলা সবলীকৰণৰ প্ৰচেষ্টা, কেম্পাছতে ৰাষ্ট্ৰীয়কৃত বেংকৰ শাখা, নিজৰ ৰেডিঅ' চেণ্টাৰ (৮৯.৬০ এফ এম) গোৱালপাৰা, পৰিবেশ্য কলা বিভাগৰ বিভিন্ন কাৰ্যসূচীৰ লগতে তিনিটা হোষ্টেলত থকা সা-সুবিধাই মহাবিদ্যালখনৰ প্ৰায় পাঁচ হাজাৰ ছাত্ৰ-ছাত্ৰীক উপকৃত কৰি অহিছে। অভিলেখসংখ্যক ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন শৈক্ষিক তথা এন চি.চি., এন.এছ.এছত অভিনৱ কৃতিত্বৰ বাবে ৰাষ্ট্ৰীয় তথা আন্তৰ্জাতিক প্ৰেক্ষাপটত প্ৰশংসিত হৈছে। শেহতীয়াভাৱে নাকৰ মূল্যায়নত মহাবিদ্যালয়খনে A+(৩.৪১) গ্ৰেড লাভ কৰিবলৈ সক্ষম হৈছে। আদিল হুছেইন, শুক্ৰাচাৰ্য ৰাভা, ড° বীৰেন্দ্ৰ নাথ দত্তৰ দৰে লোকৰ স্মৃতি বিজড়িত গোৱালপাৰা কলেজ এক শৈক্ষিক, সাংস্কৃতিক উৎকৰ্ষতাৰ শোভাযাত্ৰা।

ড° যুগব্ৰত দাস
সহকাৰী অধ্যাপক, প্ৰাণীবিজ্ঞান বিভাগ

গোৱালপাৰা মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটে যোৱা তিনিটা বৰ্ষত তিনিশৰো অধিক কাৰ্যসূচী তথা বিভিন্ন ক্ষেত্ৰত ২০টাৰো অধিক শিবিৰ আয়োজনেৰে সমাজৰ কল্যাণমূলক কামত ব্ৰতী হৈ আছে। স্বচ্ছ ভাৰত অভিযান ২.০ৰ অংশ হিচাপে স্বেচ্ছাসেৱকসকলে গোৱালপাৰা জিলাৰ বিভিন্ন ৰাজহুৱা স্থানৰ পৰা প্ৰায় ৭৬৮ কিলোগ্ৰাম প্লাষ্টিক আৱৰ্জনা পৰিষ্কাৰ কৰি গোৱালপাৰা পৌৰ নিগমৰ দ্বাৰা প্ৰশংসা লাভ কৰে। স্বেচ্ছাসেৱকসকলৰ বহুকেইটা স্বচ্ছতাৰ কাৰ্যক কেন্দ্ৰীয় চৰকাৰৰ যুৱ কল্যাণ আৰু ক্ৰীড়া মন্ত্ৰালয় তথা এনএছএছ ইণ্ডিয়াই টুইটাৰযোগে প্ৰশংসা কৰে আৰু ইয়াৰ বিষয়ে নতুন দিল্লীৰ পৰা প্ৰকাশিত 'মাডাৰলেণ্ড ভইচ' নামৰ কাকতখনত প্ৰকাশিত হয়। কাৰ্যসূচী বিষয়া ড° যুগব্ৰত দাসে যোৱা ২০২৩ বৰ্ষত নতুন দিল্লীত অনুষ্ঠিত গণৰাজ্য দিৱসৰ পেৰেড শিবিৰত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ এনএছএছ দলটোক প্ৰতিনিধিত্ব কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনে। গুৱাহাটী বিশ্বিদ্যালয়ৰ এনএছএছ কোষৰ কাৰ্যসূচী সমন্বয়ক তথা ছাত্ৰ কল্যাণ সঞ্চালক ড° ৰঞ্জন কুমাৰ কাকতি তথা মহাবিদ্যাল্যৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে এনএছএছ গোটটোৰ সমগ্ৰ কাৰ্যসূচীৰ ক্ষেত্ৰত নিৰৱচ্ছিন্ন দিহা-পৰামৰ্শ আগবঢ়াই আছে। ইতিমধ্যে গোটটোৰ বহুকেইজন স্বেচ্ছাসেৱকে ৰাজ্যিক তথা ৰাষ্ট্ৰীয় স্তৰৰ বহুকেইটা অনুষ্ঠান বা শিবিৰ যেনে মহাৰাষ্ট্ৰৰ নাছিকত অনুষ্ঠিত ৰাষ্ট্ৰীয় যুৱ মহোৎসৱ, কেন্দ্ৰীয় চৰকাৰৰ য়ুথ এক্সেঞ্জ কাৰ্যসূচীৰ অধীনত আইআইটি, জম্মুত অনুষ্ঠিত শিবিৰত প্ৰতিনিধিত্ব কৰিবলৈ সক্ষম হৈছে। এনএছএছ গোটটোৱে বৰ্তমান পোষ্যগাঁও কুৰুৱাভাষাত যুৱক-যুৱতীসকলক কাঠফুলাৰ খেতিৰে স্বাৱলম্বী কৰা, গাঁওখনক এখন প্লাষ্টিক আৱৰ্জনামুক্ত গাঁও হিচাপে গঢ়ি তোলা আৰু গাঁৱৰ সকলো স্তৰৰ লোকক শিক্ষাদানেৰে এখন সম্পূৰ্ণ সাক্ষৰ গাঁওলৈ ৰূপান্তৰণ আদিৰ বাবে নিৰৱচ্ছিন্ন প্ৰচেষ্টা অব্যাহত ৰাখিছে।

ড° আনজাম হুছেইন বৰভূঞা
সহকাৰী অধ্যাপক, প্ৰাণীবিজ্ঞান বিভাগ

মহাবিদ্যালয়ৰ উদ্ভাৱনী পৰিষদ কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ৰ দ্বাৰা স্বীকৃত হৈ ইতিমধ্যে ষ্টাৰ লাভ কৰি এলানি গুৰুত্বপূৰ্ণ পদক্ষেপৰ জৰিয়তে ৰাজ্য তথা ৰাষ্ট্ৰীয় পৰ্যায়ত উজলি উঠিছে। কেন্দ্ৰীয় চৰকাৰৰ অৰ্থ সাহায্যত বিভিন্ন পাৰদৰ্শী তথা উদ্যোগী ব্যক্তিক নিমন্ত্ৰণ কৰি এলানি বক্তৃতা কাৰ্যসূচী চলাই আহিছে। যোৱা ২০২৪ চনৰ ১৪ মে'ত গোৱালপাৰা মহাবিদ্যালয়ত জ্ঞানবৰ্ধক আৰু অনুপ্ৰেৰণাদায়ক অনুষ্ঠান হিচাপে পদ্মশ্ৰী ড° উদ্ধৱ কুমাৰ ভৰালীয়ে উদ্ভাৱন, সৃজনশীলতা আৰু সজাগতা বৃদ্ধি কৰাৰ উদ্দেশ্যে ভাষণ দিয়ে। ড° ভৰালীৰ আকৰ্ষণীয় বৰ্ণনাই কেৱল দৰ্শকক আকৰ্ষিত কৰাই নহয়, উদ্ভাৱনক নিৰন্তৰভাৱে অনুসৰণ কৰাৰ বাবে অনুপ্ৰেৰণা আৰু সংকল্পৰ অনুভূতিও জাগ্ৰত কৰে। ইয়াৰোপৰি এএছটিচিৰ পেটেণ্ট তথ্য কেন্দ্ৰৰ প্ৰকল্প বিজ্ঞানী দীপামণিক বৈশ্যই ইনকিউবেচন আৰু ষ্টাৰ্টআপ উদ্যোগত বৌদ্ধিক সম্পত্তি অধিকাৰৰ (আইপিআৰ)ৰ ভূমিকাৰ ওপৰত বিস্তৃত অৱলোকন কৰে। বিভিন্ন উদ্যমিতা বিকাশৰ বাবে গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠান উদ্ভাৱন পৰিষদে শিক্ষাৰ্থীসকলৰ মাজত উদ্ভাৱন, উদ্যোগ আৰু বৌদ্ধিক সম্পত্তি অধিকাৰ সজাগতাৰ মনোভাৱ প্ৰজ্বলিত কৰাৰ বাবে এখন মঞ্চ হিচাপে কাম কৰে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° সুভাষ বৰ্মনৰ প্ৰচেষ্টাত ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বহুকেইজন বিশেষজ্ঞৰ সৈতে ছাত্ৰ-ছাত্ৰীসকলৰ অন্তৰংগ আলাপৰ ব্যৱস্থা কৰা এই পৰিষদ সাম্প্ৰতিক ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক তথা বৃত্তিগত বিকাশত বিশেষ অৰিহণা যোগাবলৈ সক্ষম হৈছে। যোৱা সময়ছোৱাত মহাবিদ্যালয়খনত ন-সৃষ্টিৰ বাটকটীয়া কৰিবলৈ এই পৰিষদে অহৰহ প্ৰচেষ্টা চলাই আহিছে, তাৰ ফলশ্ৰুতিতে বিজ্ঞান, সমাজবিজ্ঞান আৰু বাণিজ্য শাখাত ছাত্ৰ-ছাত্ৰী কিছুমানে নতুন নতুন আৱিষ্কাৰ তথা উদ্ভাৱনাৰ বাবে ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ত পুৰস্কৃত হৈছে। মহাবিদ্যালয়ৰ ছাত্ৰ দিগন্ত দাসে 'লিমকা বুক অৱ ৰেকৰ্ড'ত নিজৰ নাম সন্নিবিষ্ট কৰিবলৈ সক্ষম হৈছে, লগতে তেওঁৰ পৰ্যাবৰণৰ উদ্ভাৱনৰ বাবে অসমৰ মাননীয়া মুখ্যমন্ত্ৰীৰ দ্বাৰা সমাদৃত হৈ এক লাখ টকাৰ পুৰস্কাৰ লাভ কৰিছে। মহাবিদ্যালয়ৰে অন্য এজন ছাত্ৰ শৰৎ ৰাভাই পৰ্যাবৰণ অনুকূল উদ্ভাৱনেৰে ৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি লাভ কৰিছে।

জ্যোৎস্না দাস
মুৰব্বী অধ্যাপিকা, দৰ্শন বিভাগ

২০০১ চনৰ কোনোবা এটা দিনত গোৱালপাৰা মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ এটা বিজ্ঞাপন পাই এনেই আবেদন কৰি থৈছিলোঁ। কিন্তু নিৰ্দিষ্ট সময়ত ইণ্টাৰভিউৰ বাবে কলিং আহিল। ২০০০ চনত দেউতাৰ মৃত্যু হোৱাত ঘৰখন বৰ খালী খালী হৈ আছিল বাবে ইণ্টাৰভিউৰ বাবে আহিব খোজা নাছিলোঁ। কিন্তু বহুজনৰ উপদেশ মৰ্মে ইণ্টাৰভিউৰ বাবে আহিলোঁ। বহুদিন কোনো খবৰ নোহোৱাৰ বাবে চাকৰিৰ আশা বাদ দিছিলোঁ। অৱশেষত ২০০১ চনৰ জুনত আৰ্মাৰ লেগুলাইনলৈ কোনোবাই ফোন কৰি চাকৰিত যোগদান কৰিবলৈ দিলে। আহো-নাহো বহুত জল্পনা-কল্পনা কৰি কৰি অৱশেষত ২০০১ চনৰ ৫ জুলাইত আহি চাকৰিত যোগদান কৰোঁ। সেয়াই আৰম্ভণি। প্ৰথম অৱস্থাত গোৱালপাৰা আৰু মহাবিদ্যালয়খনে মনত সাঁচ বহুৱাব পৰা নাছিল। কিন্তু দিন যোৱাৰ লগে লগে এই মহাবিদ্যালয় আত্মা হৈ পৰিল। বহুত স্মৃতি সিঁচৰতি হৈ আছে। প্ৰথম অৱস্থাত দায়িত্ববিলাক তেনেকৈ পোৱা নাছিলোঁ। কিন্তু মাননীয় ড° সুভাষ বৰ্মন মহোদয়ে অধ্যক্ষৰূপে কাৰ্যভাৰ লোৱাৰ পিছত মহাবিদ্যালয়খনে নতুন গতি ল'লে। চাৰিওফালে দোপতদপে উন্নতি হ'ব ধৰিলে। আৰু মোকো ছাত্ৰী জিৰণি কোঠা আৰু প্ৰতিমা বৰুৱা পাণ্ডে ছোৱালী আৱাসৰ দায়িত্ব দিলে। আৱাসৰ উন্নতিৰ বাবে যথেষ্ট কৰ্ম কৰিছোঁ, যিয়ে ছাত্ৰীসকলৰ বৌদ্ধিক তথা মানসিক দিশ উন্নত হোৱাত সহায়ক হৈছে। বৰ্তমান সময়ৰ পৰিস্থিতিৰ সাহসেৰে সন্মুখীন হ'বলৈ ছোৱালীবোৰক উৎসাহ যোগাই তোলাৰ কোনো তাৰতম্য কৰা নাই। এটা বছৰতে দুবাৰ নাকে (NAAC) পদাৰ্পণ কৰি আমাক A+ প্ৰদান কৰিছে, কিন্তু আমি জানো প্ৰকৃততে A++ৰ যোগ্য।

ড° ৰণজিৎ চৌধুৰী
পদাৰ্থ বিজ্ঞান বিভাগ
গোৱালপাৰা মহাবিদ্যালয়

স্বাধীনতাৰ ৮ বছৰ পিছতেই নতুন আশাৰে উদ্দীপ্ত ৰাইজৰ উছাহক ভৰ কৰি এজাক স্বপ্নাতুৰ লোকৰ উদ্যোগত গঢ়ি উঠা গোৱালপাৰা মহাবিদ্যালয়খনে ৬৯ বছৰ অতিক্ৰম কৰিলে। বিজ্ঞান শাখায়ো ৫৯ বছৰ অতিক্ৰম কৰিলে। অসমৰ অন্যতম অনগ্ৰসৰ অঞ্চল এটাত এই সময়ছোৱাত মহাবিদ্যালয়খনে বিজ্ঞান শিক্ষাৰ প্ৰসাৰৰ কাৰণে যি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে সেয়া অনস্বীকাৰ্য। ১৯৭২ চনত অসমৰ পৰা ছিন্ন হৈ নতুন মেঘালয় ৰাজ্য গঠন হোৱাৰ আগলৈ গোৱালপাৰা মহাবিদ্যালয়খন মেঘালয়ৰ গাৰোপাহাৰৰ মানুহৰ কাৰণে অকল বিজ্ঞান শিক্ষাৰ ক্ষেত্ৰতেই নহয়, উচ্চ শিক্ষাৰ ক্ষেত্ৰতো আছিল এখন গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠান। গোৱালপাৰা মহাবিদ্যালয়ত উচ্চ শিক্ষা গ্ৰহণ কৰা তেনে বহুতে পৰৱৰ্তী সময়ত মেঘালয়ৰ বিধানসভা, প্ৰশাসনিক ক্ষেত্ৰ আৰু অন্যান্য গুৰুত্বপূৰ্ণ বিভাগত থাকি সেৱা আগবঢ়াইছিল। আনকি, এতিয়াও মেঘালয়ৰ দাঁতিকাষৰীয়া অঞ্চলৰ বহুতৰ কাৰণে গোৱালপাৰা মহাবিদ্যালয় বিজ্ঞান শিক্ষাৰ এক অন্যতম সুযোগ আৰু আকৰ্ষণ। গোৱালপাৰা মহাবিদ্যালয়ৰ পৰা উচ্চ শিক্ষা গ্ৰহণ কৰা বহুতে আমাৰ ৰাজ্যখনৰ, দেশৰ বিভিন্ন ঠাইত সেৱা আগবঢ়াই আহিছে। এই মহাবিদ্যালয়খনত বিজ্ঞান শিক্ষা গ্ৰহণ কৰা ভালেকেইগৰাকী প্ৰাক্তন ছাত্ৰই আইআইটি, আইআইএছইআৰ আদিৰ নিচিনা দেশৰ অন্যতম বিজ্ঞান শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠানত গৱেষণা কৰিছে, বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ত শিক্ষকতা আৰু গৱেষণা কৰিছে। আনকি, বিদেশৰ প্ৰখ্যাত বিশ্ববিদ্যালয় কেইখনমানতো গোৱালপাৰা মহাবিদ্যালয়ৰ একাধিক ছাত্ৰই বিজ্ঞানৰ বিভিন্ন বিষয়ত গৱেষণা আৰু অধ্যাপনা কৰি আছে। যোৱা ৬টা দশকত গোৱালপাৰা মহাবিদ্যালয়ত বিজ্ঞান শিক্ষা গ্ৰহণ কৰা অসংখ্য ছাত্ৰ-ছাত্ৰীয়ে পৰৱৰ্তী সময়ত চিকিৎসা বিজ্ঞানৰ শিক্ষা, যন্ত্ৰ-প্ৰযুক্তি বা কাৰিকৰী শিক্ষা, পেৰা মেডিকেল শিক্ষা আদিৰ দৰে বৃত্তিমুখী শিক্ষা গ্ৰহণ কৰিছে।

ড° দুলাল চন্দ্ৰ বৰুৱা
সমন্বয়ক, আভ্যন্তৰীণ মান নিৰূপণ কোষ

গোৱালপাৰা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষ-২০০৪ চনত প্ৰতিষ্ঠা কৰা হয়। ২০১৯ চনত ড° সুভাষ বৰ্মনদেৱে মহাবিদ্যালয়ৰ অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰাৰ পাছত আমাক এই কোষৰ দায়িত্ব অৰ্পণ কৰে। যদিও পাঁচ বছৰৰ বিৰতিত মহাবিদ্যালয়ৰ নাকৰ পৰ্যবেক্ষণ হ'ব লাগে, বিভিন্ন কাৰণবশতঃ তেৰ বছৰ ধৰি গোৱালপাৰা মহাবিদ্যালয়ৰ নাকৰ পৰ্যবেক্ষণ হোৱা নাছিল। ই আমাৰ নতুন আভ্যন্তৰীণ কোষৰ দলটিৰ বাবে বৃহৎ প্ৰত্যাহ্বান হিচাপে থিয় দিছিল। কিন্তু মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি ড° অৱনী কুমাৰ ভাগৱতী আৰু অধ্যক্ষ ড° সুভাষ বৰ্মনৰ সবল নেতৃত্বত, আভ্যন্তৰীণ মান নিৰূপণ কোষৰ প্ৰতিজন সদস্যই যোৱা পাঁচ বছৰে কৰা ঐকান্তিক প্ৰচেষ্টাৰ লগতে মহাবিদ্যালয়ৰ প্ৰতিজন অধ্যাপক-অধ্যাপিকা তথা কৰ্মচাৰীৰ নিৰৱচ্ছিন্ন প্ৰয়াস, বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী তথা প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ প্ৰত্যক্ষ সহযোগত হৈ যোৱা নাকৰ তৃতীয় চক্ৰ মূল্যায়নৰ ৩.৪ৰ নম্বৰসহ A গ্ৰেড লাভ কৰি উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত চতুৰ্থ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। ২০১০ চনত হোৱা নাকৰ দ্বিতীয় চক্ৰৰ মূল্যায়নৰ B গ্ৰেড লাভ কৰা মহাবিদ্যালয়খনিয়ে সামূহিক প্ৰচেষ্টাৰ বলত দেশৰ এটি অনগ্ৰসৰ অঞ্চলত অৱস্থিত হৈও এনে এটি বৃহৎ সফলতা লাভ কৰিবলৈ সক্ষম হৈছে।

শৈক্ষিক ক্ষেত্ৰত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে চমকপ্ৰদ সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। উদ্ভিদবিদ্যা, ভূগোল বিজ্ঞান, ৰাজনীতি বিজ্ঞান, ইংৰাজী আদি কৰি কেইবাটাও বিভাগৰ ছাত্ৰ-ছাত্ৰীয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক পৰীক্ষাত বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ উপৰি Central University Entrance Test (CUET)ত উত্তীৰ্ণ হৈ ছাত্ৰ-ছাত্ৰীসকলে দিল্লী বিশ্ববিদ্যালয়, বেণাৰস হিন্দু বিশ্ববিদ্যালয়, আলীগড় মুছলীম বিশ্ববিদ্যালয়, হায়দৰাবাদ কেন্দ্ৰীয় বিশ্ববিদ্যালয়, পাঞ্জাব কেন্দ্ৰীয় বিশ্ববিদ্যালয়, মিজোৰাম কেন্দ্ৰীয় বিশ্ববিদ্যালয় আদি দেশৰ বহুতো শ্ৰেষ্ঠ বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ ডিগ্ৰীৰ বাবে নামভৰ্তি কৰিবলৈ সক্ষম হৈছে। তদুপৰি, আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে JEM পৰীক্ষাত উত্তীৰ্ণ হৈ IIT আৰু NITতো নামভৰ্তি কৰিবলৈ সক্ষম হৈছে। প্ৰতিষ্ঠা কালৰে পৰাই গোৱালপাৰা মহাবিদ্যালয়ে পশ্চিম অসমত উচ্চ শিক্ষা প্ৰসাৰৰ ক্ষেত্ৰত যি অগ্ৰণী স্থান গ্ৰহণ কৰি আহিছে, সেই ধাৰা অক্ষুণ্ণ ৰাখি বৰ্তমান মহাবিদ্যালয়খনিয়ে দেশৰ ভিতৰতে এটি জাকত জিলিকা শিক্ষানুষ্ঠানলৈ পৰিৱৰ্তিত হৈছে। আহি থকা দিনবিলাকত মহাবিদ্যালয়খনে এই ধাৰা অটুট ৰাখি এখন স্বতন্ত্ৰ মহাবিদ্যালয় নতুবা বিশ্ববিদ্যালয়লৈ উন্নীত হওক।

ড° মনজিৎ বৰা
সহকাৰী অধ্যাপক
পদাৰ্থ বিজ্ঞান বিভাগ
অধীক্ষক, ওৱাজুদ্দিন আহমেদ ছাত্ৰাবাস

জ্যেষ্ঠজনে কৈ গৈছে 'জীৱন এক যাত্ৰা আৰু এই যাত্ৰাৰ তিনিটা চৰম অনিশ্চয়তা হ'ল জন্ম, মৃত্যু আৰু বিবাহ।' মোৰ বিশ্বাস, বৰ্তমানৰ আধুনিক তথা চূড়ান্ত সংঘৰ্ষময় জীৱনত প্ৰকৃততে যোগ হৈছে আন এটা অনিশ্চয়তাৰ 'কৰ্মস্থান।' এই চতুৰ্থ অনিশ্চয়তাৰ পম খেদিয়ে উজনি অসমৰ প্ৰান্তত অৱস্থিত ধেমাজি জিলাত জন্ম হোৱা মই মধ্য অসমৰ তেজপুৰ বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাসৰ পৰা যাত্ৰা আৰম্ভ কৰিছিলোঁ কেতিয়াও আহি নোপোৱা নামনি অসমৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ গোৱালপাৰা মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপকৰ পদৰ সাক্ষাৎকাৰত অৱতীৰ্ণ হোৱাৰ বাবে। আৰু তাৰ সুবাদতে ২০১৩ চনৰ জুন মাহত হৈ পৰিলোঁ গোৱালপাৰা মহাবিদ্যালয়ৰ বৃহৎ পৰিয়ালৰ অংশ। সুবিশাল তথা সেউজীয়া মহাবিদ্যালয়খনৰ চৌহদৰ তীক্ষ্ণ বুদ্ধিৰ ছাত্ৰ-ছাত্ৰীসকলে লাহে লাহে মোক ভাল পাবলৈ শিকালে শিক্ষকতাৰ বৃত্তিক। লগতে নিজৰ বিভাগৰ উপৰি মহাবিদ্যালয়খনৰ অন্যান্য বিভাগৰ শিক্ষকসকলৰ মৰম, উৎসাহ আৰু দিহা-পৰামৰ্শই নিজকে শিক্ষক হিচাপে গঢ়ি তোলাত সহায় কৰিলে। সময় নিজ পথেৰে গতি কৰাৰ লগে লগে শ্ৰেণীকোঠাৰ পাঠদানৰ লগতে মহাবিদ্যালয়খনৰ অন্যান্য কৰ্মতো সেৱা আগবঢ়োৱাৰ সুযোগ আহিব ধৰিলে। তাৰ ভিতৰত শ্ৰেষ্ঠতম সুযোগ হ'ল মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সদস্য হোৱাৰ সুযোগটো। মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ নেতৃত্বত আৰু IQACৰ সঞ্চালক মহোদয়ৰ দিশ নিৰ্দেশনাত আমি সদস্যসকলে খুব সুশৃংখলভাৱে কিন্তু অত্যন্ত ফুৰ্তিৰে নাকৰ কামখিনি কৰি গ'লোঁ। প্ৰতিটো খোজতে সহযোগ কৰিলে মহাবিদ্যালয়খনৰ পৰিয়ালে আৰু ফলস্বৰূপে আমি মহাবিদ্যালয়খনে লাভ কৰিলোঁ এক অনন্য গ্ৰেড, যাক লৈ আমি সদায় গৌৰৱান্বিত। তাৰ মাজতে মহাবিদ্যালয়খনৰ শিক্ষক পৰিয়ালে মোক মহাবিদ্যালয় পৰিচালনা সমিতিৰ শিক্ষক প্ৰতিনিধি হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ ভৱিষ্যৎ মাপকাঠী নিৰ্মাণকাৰ্যৰ অংশ হোৱাৰো সুবিধা প্ৰদান কৰিলে। মোৰ শিক্ষক জীৱনক পূৰ্ণতা প্ৰদান কৰা অন্য এটা সুযোগ হ'ল মহাবিদ্যালয়ৰ ছাত্ৰাবাসৰ অধীক্ষকৰ দায়িত্ব লাভ কৰাটো। এই পদে সকলো আৱাসীৰ অভিভাৱক হোৱাৰ সুযোগ প্ৰদান কৰিলে, যি মোক আগতকৈ আধিক দায়িত্বশীল হোৱাৰ প্ৰশিক্ষণ দিলে। ফলশ্ৰুতিত কিছুমান অন্যান্য দায়িত্ব যেনে NIRFৰ Cordinator বা গুৱাহাটী বিশ্ববিদ্যালয়ৰ দূৰৱৰ্তী আৰু অনলাইন শিক্ষাৰ মহাবিদ্যালয়ৰ কেন্দ্ৰটোৰ দায়িত্ব পালন আদি অনায়াসে কৰি যোৱাটো মোৰ বাবে সহজ হৈ পৰিল। লগতে নিজৰ বিভাগটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে ছাত্ৰাবাসৰ ছাত্ৰসকলেও দেশ-বিদেশৰ শ্ৰেষ্ঠ শিক্ষা অনুষ্ঠান কিছুমানত শিক্ষা গ্ৰহণৰ বাবে নিৰ্বাচিত হোৱাটোৱে মোক আৰু অধিক 'গৌৰৱান্বিত হোৱাৰ সুযোগ প্ৰদান কৰিলে। এনেখন মহাবিদ্যালয় উন্নতিৰ পথত সদায় আগুৱাই যাওক তাক অন্তঃকৰণেৰে কামনা কৰিলোঁ।

তৃষ্ণা বৰ্মন
সহকাৰী অধ্যাপিকা
সমন্বয়ক; ৰেডিঅ' গোৱালপাৰা

ৰেডিঅ' গোৱালপাৰা ৮৯.৬ এফ.এম। মহাবিদ্যালয়ৰ চৌহদত এটি সামূহিক অনাতাঁৰ কেন্দ্ৰ। এটি স্বপ্নৰ দৰে কথা। আৰু এই স্বপ্নক কষ্ট, পৰিকল্পনা আৰু সদিচ্ছাৰে বাস্তৱ ৰূপ দিলে গোৱালপাৰা মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ ড° সুভাষ বৰ্মন দেৱে। কোনো সময়ত যদি তেখেত অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰীৰ বাবে দিক্‌দৰ্শক হ'ল, কোনো সময়ত তেখেতে নিজেই আৰ. জেৰ আসনত বহি অনুষ্ঠানো পৰিচালনা কৰিলে। স্ব-ইচ্ছাৰে বহুকেইগৰাকী প্ৰাক্তন আৰু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী ৰেডিঅ'' গোৱালপাৰাৰ অংশ হোৱাৰ বাবে আগবাঢ়ি আহিল। জ্যেষ্ঠ-কনিষ্ঠ সকলো অধ্যাপক-অধ্যাপিকা এই নৱতম যাত্ৰাৰ গৰ্বিত অংশীদাৰ হ'ল। মানুহ আৰু সমাজৰ হিতৰ এই প্ৰচেষ্টাত বিনাদ্বিধাই সকলোৱে নিজৰ সময় আৰু জ্ঞান বিনিয়োগ কৰিলে।

ৰশ্মি হাজৰিকা
সহকাৰী অধ্যাপিকা আৰু চিটিঅ'

গোৱালপাৰা মহাবিদ্যালয়ৰ এন.চি.চি. বিগত কেইবা বছৰো ধৰি গণৰাজ্য দিৱস আৰু স্বাধীনতা দিৱসত ৰাজ্যিকভাৱে আয়োজিত পেৰেডত বিভিন্ন সৈনিক স্কুল গোৱালপাৰা, চি.আৰ.পি.আফ, গৃহৰক্ষী বাহিনী, আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ বহুকেইটা দলৰ মাজত শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰি আহিছে। এন.চি.চিৰ ৩০ নম্বৰ বেটেলিয়নৰ শ্ৰেষ্ঠ গোটৰ সন্মান লাভ কৰা গোৱালপাৰা মহাবিদ্যালয়ৰ এন.চি.চিৰ কেডেটসকলে বিভিন্ন ৰাষ্ট্ৰীয় পৰ্যায়ৰ সন্মান কঢ়িয়াই অনাৰ উপৰি এই বছৰ মুঠ ২২গৰাকী কেডেটে চি চাৰ্টিফিকেট, ৩৪ গৰাকী কেডেটে বি চাৰ্টিফিকেট লাভ কৰি ৰাজ্যৰ এন.চি.চিৰ ইতিহাসত বিৰল উদাহৰণ দাঙি ধৰিবলৈ সক্ষম হৈছে। কাকলি মজুমদাৰ, দীক্ষিতা দাস, আন এগৰাকী SW কেডেট জেউতি সূত্ৰধৰ, তানিয়া দাস আৰু ৰুক্সা বেগম, যুশমিতা কলিতা আৰু পম্পী চৰকাৰে ড্ৰীলিং, ট্ৰেকিং, শ্যুটিং আদিত ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত কৃতিত্ব অৰ্জন কৰিবলৈ সক্ষম হৈছে। প্ৰতিবছৰে ভাৰতীয় প্ৰতিৰক্ষা সেৱাত প্ৰৱেশৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ এনচিচিয়ে তাৎপৰ্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। ই তেওঁলোকক মূল্যবান প্ৰশিক্ষণ, সম্ভাৱনা আৰু সুযোগ প্ৰদান কৰে, যিয়ে প্ৰতিযোগিতামূলক প্ৰতিৰক্ষা পৰীক্ষা আৰু সাক্ষাৎকাৰত তেওঁলোকৰ সফলতাৰ সম্ভাৱনা বৃদ্ধি কৰে।

বিজুফা ইয়াছমিন
স্নাতক প্ৰথম ষাণ্মাসিক

হোষ্টেল, ছাত্ৰ জীৱনৰ এক সেউজীয়া অনুভৱ হ'ল হোষ্টেলত পাৰ কৰা সময়খিনি। প্ৰখ্যাত সাহিত্যিক হোমেন বৰগোহাঞিয়ে লিখিছে —'পৃথিৱীত যদি স্বৰ্গ আছে সেয়া কটন কলেজৰ ছাত্ৰাবাস, ছাত্ৰ জীৱনত এবাৰ হ'লেও হোষ্টেলৰ সোৱাদ নল'লে যেন ছাত্ৰ জীৱন আধৰুৱা। হোষ্টেলৰ ছাত্ৰ-ছাত্ৰীৰ বাবে হোষ্টেলখনেই হৈ পৰে দ্বিতীয়খন ঘৰ, য'ত মা-দেউতা অবিহনে বন্ধু-বান্ধৱীয়ে হৈ পৰে পৰিয়াল। প্ৰথমে হোষ্টেললৈ আহোঁতে নতুন ঠাই, নতুন মানুহ আৰু নিজেই সকলো কাম কৰিব লাগিব বুলি ভয় লাগিছিল। লাহে লাহে এই ভয় কেতিয়া আনন্দলৈ সলনি হ'ল গমকে নাপালোঁ। ৰাতিপুৱা পলমকৈ সাৰ পাই ক্লাছ আৰম্ভ হোৱাৰ দুই মিনিট আগত ক্লাছলৈ দৌৰাৰ মুহূৰ্তবোৰ, নিশাৰ ভাগত বান্ধৱীৰ লগত কথা পাতি গোটেই নিশা উজাগৰে কটোৱা মুহূৰ্তবোৰে হৃদয়ত এক স্নিগ্ধতা আনে। ঘৰত দাইল খাই বেয়া পোৱা ল'ৰা-ছোৱালীবোৰে দাইল নহ'লে ভাত খাব নোৱাৰাৰ পৰা জীৱনত প্ৰথমবাৰলৈ একান্তভাৱে দায়িত্ব লোৱাৰ অভ্যাস গঢ়া, নিজৰ কাম নিজে কৰালৈ আচৰিত পৰিৱৰ্তন হোষ্টেল জীৱনৰ এক অমূল্য শিক্ষা। পৰীক্ষাৰ সময়ত ৰাতি তিনি বজাত মেগি বনাই খোৱাৰ আনন্দ হোষ্টেলৰ ছাত্ৰ-ছাত্ৰীয়ে বহুত ভালদৰেই জানে। মনত পৰে কেতিয়াবা আপোন ঘৰখনলৈ, তেতিয়া মনটো বিষাদেৰে ভৰি পৰে। কিন্তু সেয়া খন্তেকীয়াহে। বন্ধু-বান্ধৱীয়ে এই বিষাদ দূৰ কৰি কঢ়িয়াই আনে অনাবিল আনন্দ। হোষ্টেলৰ কঠোৰ নীতি-নিয়মৰ মাজতে কেতিয়াবা নিশা একেলগে গীত গোৱা, ৰঙা চাহৰ আড্ডা অথবা কোনো বান্ধৱীৰ জন্মদিন গোপনে উদ্‌যাপন কৰা মুহূৰ্তবোৰ হৃদয়ত সদায় জীয়াই থাকে। হোষ্টেলত গঢ়ি উঠা বন্ধুত্বৰ সম্পৰ্ক জীৱনৰ মাজত এক অতুলনীয় মাধুৰ্যৰে জীপাল হৈ থাকে।

জোশিলা ৰাভা
স্নাতক প্ৰথম ষাণ্মাসিক

প্ৰথমবাৰৰ বাবে হোষ্টেলৰ অভিজ্ঞতা, তাতে আকৌ ঘৰৰ পৰা আঁতৰত, ভয়-শংকাতো স্বাভাৱিক। হোষ্টেললৈ অহা প্ৰতিজনী ছোৱালীক লক্ষ্য কৰিলোঁ যে প্ৰতিজনী ছোৱালীক তেওঁলোকৰ মাক-দেউতাকে থৈ আহিছে। কিন্তু মোকটো কোনেও থৈ অহা নাই। একো নাই বুলি মনত ভাবি হোষ্টেলৰ ভিতৰলৈ আগবাঢ়ি গ'লোঁ। ভিতৰত প্ৰৱেশ কৰাৰ লগে লগে অলপ ভয় ভয় অনুভৱ হ'ল। কাক মাতিম, কেনেকৈ কাৰ লগত কথা পাতি কোন ৰুমত যাম একো নাজানো। তেতিয়া ভাবিলোঁ মই অকলে হোষ্টেললৈ অহি ভুল কৰিলোঁ নেকি? আকৌ ভাবিলোঁ নাই ইয়াত সকলো মোৰ দৰেই, মই কাক ভয় কৰি আছোঁ? ভাবি থাকোঁতে দুজনী ছিনিয়ৰ বা মোক দেখি আগবাঢ়ি আহি মোক সুধিলে 'তোমাৰ নাম কি'? — 'নমস্কাৰ, মোৰ নাম জশিলা ৰাভা।' আহা আমাৰ ৰুমতে থাকিব পাৰিবা'। সেই দুজনী ছিনিয়ৰে ৰুমলৈ লৈ গ'ল। তেনেদৰেই চিনাকি আকাশৰ ঠিকনা এৰি নতুন আকাশত ঠিকনা গঢ়াৰ প্ৰচেষ্টা আৰম্ভ হয়। এই প্ৰচেষ্টাতে অস্থায়ী অথচ চিনাকি ঠিকনা হ'ব ধৰে হোষ্টেল; অচিনাকি হৈও আত্মীয় হ'ব ধৰে হোষ্টেলমেট আৰু ৰুমমেট। মাজে মাজে অনুভৱ কৰোঁ সঁচাকৈয়ে এইখন হোষ্টেলত থাকিব পোৱাটো মোৰ সৌভাগ্য। কাৰণ, সমনীয়াৰ লগত একেলগে বাস কৰি অধ্যয়ন কৰাৰ সোৱাদেই বেলেগ।

ড° সিদ্ধিনাথ শৰ্মা
প্ৰাক্তন উপাধ্যক্ষ

গোৱালপাৰা কলেজ অসমৰ শৈক্ষিক মানচিত্ৰত এটি অতি পৰিচিত অনুষ্ঠান। দেশৰ স্বাধীনতাৰ পৰৱৰ্তী কালত প্ৰতিষ্ঠিত মহাবিদ্যালয়খনত বৰ্তমান বিজ্ঞান, কলা, বাণিজ্য তিনিটা শাখাত প্ৰায় পাঁচ হাজাৰ ছাত্ৰ-ছাত্ৰী অধ্যয়ন কৰি আছে। ছাত্ৰ-ছাত্ৰীসকলে শৈক্ষিক দিশত বিশেষ পাৰদৰ্শিতা দেখুৱাৰ উপৰি সাংস্কৃতিক আৰু বিশেষভাৱে ৰাষ্ট্ৰীয় সেৱা আঁচনি, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী, ৰেডক্ৰছ, পশুকল্যাণ কোষ আদিত ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰশংসিত হৈ আহিছে। ভাৰত চৰকাৰৰ ডি এছ টি, ডিবিটি আদি সংস্থাৰ পৰা কেইবা কোটি টকা অৰ্থ-সাহায্য লাভ কৰা মহাবিদ্যালয়খনত ইতিমধ্যে অতি উচ্চ পৰ্যায়ৰ গৱেষণাৰ সুবিধা গঢ়ি উঠিছে। গোৱালপাৰা মহাবিদ্যালয়ে যোৱা ২০২১ চনৰ পৰা এটা নিজা ৰেডিঅ' চেণ্টাৰ (৮৯.৬ এফ.এম)ৰ জৰিয়তে শিক্ষা প্ৰদানৰ লগতে বিভিন্ন সাংস্কৃতিক তথা সামূহিক কল্যাণৰ কাৰ্যসূচী চলাই আহিছে।

মহাবিদ্যালয় চৌহদৰ ভিতৰত ৰাষ্ট্ৰীয়কৃত বেংকৰ শাখা স্থাপনৰ ফলত ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-কৰ্মচাৰীৰ বেংক সম্পৰ্কীয় অসুবিধা দূৰ হৈছে। মহাবিদ্যালয় খেলপথাৰৰ লগতে ভলীবল, বেডমিণ্টন, বাস্কেত বল তথা প্ৰায় সকলো ইন্দোৰ গেমছৰ সুবিধা প্ৰদান কৰা হৈছে। মহাবিদ্যালয়ৰ পৰিবেশ্য কলা বিভাগৰ জৰিয়তে নিৰৱচ্ছিন্নভাৱে নাটক তথা লোকবাদ্য, লোক-সংগীত, নৃত্য আদিৰ প্ৰশিক্ষণ দি থকা হয়। শেহতীয়াকৈ মহাবিদ্যালয়খনে প্ৰায় বাৰ বছৰৰ মূৰত 'নাক' (NAAC) দ্বাৰা মূল্যায়ন হৈছে। মন কৰিবলগীয়া যে এমাহৰ ভিতৰত দুবাৰ 'নাক'ৰ দলে মূল্যায়ন কৰা দেশৰ কমসংখ্যক উচ্চ শিক্ষানুষ্ঠানৰ ভিতৰত গোৱালপাৰা মহাবিদ্যালয় অন্তৰ্ভুক্ত হৈছিল আৰু নাকে A গ্ৰেড প্ৰদান কৰিছে, যিটো গুৱাহাটীৰ পৰা মানস সৰোবৰলৈ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ মহাবিদ্যালয়সমূহৰ ভিতৰত সৰ্বোচ্চ গ্ৰেড। মহাবিদ্যালয়খনে NIRF ৰেংকিংতো অংশগ্ৰহণ কৰি আহিছে। গোৱালপাৰা মহাবিদ্যালয়ক অতি কম সময়ৰ ভিতৰত বিশ্ববিদ্যালয় অনুদান আয়োগে (UGC) এখন অটোনোমাছ (Autonomous) কলেজ হিচাপে ঘোষণা কৰাৰ ঐতিহাসিক মুহূৰ্তলৈ অপেক্ষা কৰিছোঁ।

গোৱালপাৰা কলেজে আজিৰ পৰ্যায় লাভ কৰাত মহাবিদ্যালখনৰ দীৰ্ঘকালৰ অধ্যক্ষ, শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীৰ বৰঙণি মনত পেলাব লাগিব। গোৱালপাৰা কলেজৰ সৈতে যদিও ৰাজ্যৰ কিছুমান প্ৰখ্যাত শিক্ষানুষ্ঠান, উদাহৰণস্বৰূপে বজালী কলেজ (বৰ্তমান ভট্টদেৱ বিশ্ববিদ্যালয়) একেলগে প্ৰতিষ্ঠা হৈছিল, কিন্তু মাজতে প্ৰায় দুটা দশক মহাবিদ্যালখনে পূৰ্বৰ সেই গৌৰৱ-গৰিমা হেৰুৱাবলৈ উপক্ৰম হৈছিল। কিন্তু যোৱা ২০১৯ চনত ড° সুভাষ বৰ্মনে অধ্যক্ষৰ আসনত বহাৰ পিছতে মহাবিদ্যালয়খনত সকলো দিশতে এক নতুন জাগৰণৰ প্ৰাৰম্ভণি হয়। ধুমুহাৰ গতিৰে ড° বৰ্মনে শৈক্ষিক পৰিৱেশ ঘূৰাই অনাৰ লগতে মহাবিদ্যালয়ৰ চৌহদ নিৰ্মাণ, অটিকধুনীয়া তোৰণ, প্ৰেক্ষাগৃহ, চৌপাশে অসম তথা ভাৰতৰ ইতিহাস ঐতিহ্যক লৈ স্থাপত্য ভাস্কৰ্যৰ সংযোজনেৰে মহাবিদ্যালয়খনত প্ৰাণ সঞ্চাৰ কৰে। শৈক্ষিক পৰিৱেশ, গৱেষণা, আন্তঃগাঁথনিৰ উৎকৰ্ষতাই নতুন মাত্ৰা প্ৰদান কৰিছে। ড° বৰ্মনৰ এনেবোৰ কামৰ বাবে যোৱা ৫ ছেপ্টেম্বৰত ৰাজ্যখনৰ তিনিখন শ্ৰেষ্ঠ মহাবিদ্যালয়ৰ ভিতৰত দ্বিতীয় স্থানত মুখ্যমন্ত্ৰী মহোদয়ৰ দ্বাৰা পুৰস্কৃত হৈছে। এনে এখন মহাবিদ্যালয়ত তিনিটা দশক অধ্যাপক-ভূগোল বিভাগৰ মুৰব্বী তথা উপাধ্যক্ষ হিচাপে সেৱা আগবঢ়াব পোৱাটো জীৱনৰ এক চৰম প্ৰাপ্তি।

অপৰ্ণা চৌধুৰী
গোৱালপাৰা মহাবিদ্যালয়



২০০১ চনৰ আগষ্ট মাহত মই গোৱালপাৰা মহাবিদ্যালয়ত খণ্ডকালীন সহকাৰী অধ্যাপক হিচাপে মোৰ শিক্ষকতাৰ যাত্ৰা আৰম্ভ কৰিছিলোঁ। এই পদত নিযুক্তি গ্ৰহণ কৰাৰ আগেয়ে মই এইখন মহাবিদ্যালয়ৰে এগৰাকী ছাত্ৰী আছিলো। এইখন মহাবিদ্যালয়তে মই উচ্চ মাধ্যমিক আৰু স্নাতকৰ শিক্ষা গ্ৰহণ কৰিছিলো। একেখন মহাবিদ্যালয়ত পঢ়া-শুনা কৰি আৰু পিছলৈ সেইখন মহাবিদ্যালয়ত পঢ়াবলৈ পোৱাৰ সুযোগ পোৱাটো বৰ ভাল লগা অনুভৱ। চাকৰি জীৱনৰ প্ৰথম সময়ছোৱাত মই মোৰ দুজন অগ্ৰজক পঢ়াবলগীয়া হৈছিল। সেয়া এটা মিশ্ৰিত অভিজ্ঞতা। পৰিসংখ্যা বিভাগত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অলপ কম হোৱাৰ বাবে চাগে সকলোৰে লগত মই খুব ঘনিষ্ঠ হ'ব পাৰিছিলো। শিক্ষাদানৰ দায়িত্বৰ উপৰি সমাজৰ লগত জড়িত ৰেডক্ৰছ ছ'চাইটীৰ সম্পাদিকা, গোৱালপাৰা মহাবিদ্যালয়ৰ মহিলা শাখাৰ সদস্য, মহাবিদ্যালয়ৰ ছাত্ৰী আৱাসৰ ৱাৰ্ডেন হিচাপে কাৰ্যনিৰ্বাহ কৰি আছো। এই ভূমিকাবোৰে মোক শিক্ষাৰ্থী, সহকৰ্মী আৰু অভিভাৱকৰ লগত ঘনিষ্ঠ হোৱাৰ সুযোগ প্ৰদান কৰিছে, যিয়ে মোৰ পেছাগত উন্নয়নত কেন্দ্ৰীয় ভূমিকা পালন কৰিছে। মহাবিদ্যালয়ৰ NAACৰ মূল্যায়নৰ ঠিক আগে আগে বিভাগীয় মুৰব্বী হোৱাৰ সুযোগ পালো এক কঠিন আৰু প্ৰত্যাহ্বানপূৰ্ণ অভিজ্ঞতা লাভ কৰি, তথাপিও NAAC ৰ মূল্যায়ন প্ৰক্ৰিয়াৰ সময়ৰ অভিজ্ঞতাবোৰ খুব ভাল লগা অৰ্থবহ, যিয়ে মোক এজনী অভিজ্ঞ শিক্ষয়িত্ৰী হিচাপে গঢ়ি তোলাত সহায় কৰিছে।

যুগুতালে ঃ উদিত নাৰায়ণ কলিতা
ফোন ঃ ৯৮৫৪১-০১৯১২

Scanned with OKEN Scanner